**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসম সম্প্ৰতি দেশৰ এখন অগ্ৰনি ৰাজ্য হিচাপে উদ্ভাসিত হৈছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূৱ উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। গুৱাহাটীৰ কইনাধৰাৰ অতিথিশালাত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অসমত ড'নাৰ মন্ত্ৰ্যালয়ৰ উন্নয়নমূলক কামকাজৰ খতিয়ান লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ৰাজ্যখনৰ বিকাশৰ দিশত ড'নাৰ মন্ত্ৰ্যালয়ে সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়োৱাৰ কথা উল্লেখ কৰি শ্ৰী সিন্ধিয়াই এই বিকাশৰ গতি ত্বৰান্বিত কৰাৰ দিশত তেওঁৰ মন্ত্ৰ্যালয়ে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যাব বুলি মন্তব্য কৰে। বৈঠকত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে বিভিন্ন খণ্ডত লাভ কৰা অগ্ৰগতিৰে অসমে সম্প্ৰতি দেশৰ উন্নত ৰাজ্যসমূহৰ লগত সমানে ফেৰ মাৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই অসমৰ বৰ্তমান মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ১৪ শতাংশ বুলি উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যত চলি থকা বিভিন্ন উন্নয়নমূলক কামকাজৰ বাবে শক্তিখণ্ডৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। এই প্ৰয়োজনীয়তা পূৰণৰ দিশত ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণৰ দিশত অগ্ৰসৰ হৈছে বুলিও তেওঁ কয়।

০০০০০০

অসম মন্ত্ৰীসভাই ৰাজ্যত তিনিতৰপীয়া পঞ্চায়ত গঠনত অনুমোদন জনাইছে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে প্ৰকাশ কৰা অনুসৰি অহা ২১ জুনৰ পৰা ১০ জুলাইৰ ভিতৰত গাঁও পঞ্চায়তসমূহ গঠন কৰা হ'ব। ১১ জুলাইৰ পৰা ২০ জুলাইৰ ভিতৰত আঞ্চলিক পঞ্চায়ত আৰু ২১ জুলাইৰ পৰা ৩০ জুলাইৰ ভিতৰত জিলা পৰিষদসমূহ গঠন কৰা হ'ব। গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচনৰ দিন ২১ জুনৰ পৰা ১০ জুলাইৰ ভিতৰত নিৰ্ধাৰণ কৰা হ'ব। ইয়াৰ বাবে ২১ জুনৰ পূৰ্বেই জিলা আয়ুক্তই অধিসূচনা জাৰি কৰি একোগৰাকীকৈ কৰ্তৃত্বশীল বিষয়া নিযুক্তি দিব। অহা ১ আগষ্টৰ পৰা পঞ্চায়তসমূহে কাৰ্যভাৰ গ্ৰহণ কৰিব।

০০০০০০

অসম বিধানসভাৰ ৯ জুনত এখন এদিনীয়া বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰে।

০০০০০০

অপাৰেচন সিন্দুৰৰ সফলতা উদযাপন কৰি বিজেপিয়ে আয়োজন কৰা ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে। পশ্চিম কাৰ্বি আংলং জিলাত কালি জিলা বিজেপিৰ সভাপতি ৰদীপ ৰংহাঙৰ নেতৃত্বত জিলা সদৰ হামৰেন ছয়আলিৰ পৰা নতুন বজাৰলৈ ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰোৰ নেতৃত্বত ভকচঙত বিশাল ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়।

ডিব্ৰুগড় জিলাত কালি প্ৰবল বৰষুণকো নেওচি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত সহস্ৰাধিক লোকে ত্ৰিৰংগ যাত্ৰাত ভাগ লয়। চৌকিদিঙি খেলপথাৰৰ পৰা উলিওৱা এই যাত্ৰাৰ আৰম্ভণিতে শ্ৰী সোণোৱালে সেনা বাহিনীৰ পৰাক্ৰম আৰু শৌৰ্যৰ  প্ৰতি সন্মান জনাই দেশজুৰি ত্ৰিৰংগ যাত্ৰা ৰূপায়ণ কৰাৰ কথা উল্লেখ কৰে। এই বিজয়ৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীৰ সৱল নেতৃত্ব আৰু সেনা বাহিনীৰ বীৰত্বৰ শলাগ লয়।

এই যাত্ৰাত মন্ত্ৰী বিমল বৰা, লাহুৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰকে ধৰি দলৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

জিলাখনৰ চাবুৱাৰ বিন্ধাকতাতো কালি ত্ৰিৰংগ যাত্ৰাত শতাধিক লোকে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ দেশপ্ৰেমমূলক গীত আৰু ধ্বনিৰে দেশমাতৃৰ বন্দনা কৰে।

০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত কাৰ্যালয়ত কালি ৰাজহ সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত পৰিবহণ, আবকাৰী, কৰ বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডকে ধৰি কেইবাটাও বিভাগৰ বিষয়াসকলে অংশ লয়। বৈঠকত চলিত বৰ্ষৰ ৰাজহ সংগ্ৰহৰ নিৰ্ধাৰিত লক্ষ্য আৰু বৰ্তমানলৈকে সংশ্লিষ্ট বিভাগসমূহৰ দ্বাৰা ৰাজহ সংগ্ৰহৰ অগ্ৰগতি সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰা হয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্ণেল দীপক চক্ৰৱৰ্তীৰ সৈতে অপাৰেচেন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে এটা বাৰ্তালাপ  প্ৰচাৰ কৰিব।

কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।

অনুষ্ঠানৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ৰাজ্যৰ দুগ্ধ উৎপাদন ক্ষেত্ৰক অধিক উজ্জীৱিত কৰি তোলাৰ লক্ষ্যৰে অসম মন্ত্ৰীসভাই ৰাণীৰ ফাৰ্ম মেনেজমেণ্ট প্ৰতিষ্ঠানৰ ২০ বিঘা ভূমি আমূল কোম্পানীক লীজত দিয়াৰ বাবে অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ হিতাধিকাৰীৰ মাজত বিতৰণৰ বাবে অনুমোদন জনায়। অসমত ব্যক্তিগতখণ্ডৰ বিনিয়োগক উৎসাহিত কৰি নিয়োগৰ সুযোগ সৃষ্টিৰ বাবে মন্ত্ৰীসভাই আই আই পি এ অধীনত দুটাকৈ প্ৰস্তাৱত অনুমোদন জনায়। তদুপৰি ড° বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচীৰ অধীনত এহেজাৰ ৩১৩ গৰাকী অংশকালীন আই চি টি শিক্ষকৰ মাহিলী মাননী অহা অক্টোবৰৰ পৰা ২০ হাজাৰ টকালৈ বৃদ্ধিৰ অনুমোদন জনায়। মন্ত্ৰীসভাই তেওঁলোকক ৬০ বছৰ বয়সলৈ সেৱা প্ৰদানৰ নিশ্চয়তা দিয়ে। ইয়াৰ ফলত তেওঁলোক মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনা, আপোন ঘৰ আৰু আপোন বাহন আঁচনিৰ বাবে যোগ্য বিবেচিত হ'ব।

০০০০০০

সমাপ্ত